# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 06-09-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::**

১। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ডিব্ৰুগড়ত **মুখ্যমন্ত্ৰীৰ সচিবালয়** মুকলি। এতিয়াৰে পৰা গণৰাজ্য দিৱসত ডিব্ৰুগড়ৰ সচিবালয়ত মুখ্যমন্ত্ৰীৰ পতাকা উত্তোলনৰ ঘোষণা।

২। ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয় মুকলি সুশাসনৰ ক্ষেত্ৰত মাইলৰ খুঁটি বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মন্তব্য।

৩। ৰাজ্যৰ ১৯ খন জিলাৰ আয়ুক্তৰ ৰদ-বদল। ***আৰু***

৪। যোৰহাটত কাইলৈৰ পৰা ল'ৰাৰ চাব জুনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতা। ভিন ভিন ৰাজ্যৰ পৰা কেইবাটাও দল আহি উপস্থিত।

০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত **মুখ্যমন্ত্ৰীৰ সচিবালয়** মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী-বিধায়ক উপস্থিত থাকে। এই সচিবালয়ে উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, লখিমপুৰ, ধেমাজি, শিৱসাগৰ, চৰাইদেউ, মাজুলী, যোৰহাট আৰু গোলাঘাট জিলাৰ প্ৰায় ৭৯ লাখ লোকৰ সৈতে প্ৰশাসনৰ সংযোগ বৃদ্ধি কৰিব আৰু ৰাজ্যিক আৰু কেন্দ্ৰীয়  চৰকাৰৰ আঁচনি তথা প্ৰকল্পৰ ধাৰাবাহিক নিৰীক্ষণ আৰু স্থানীয় উন্নয়ন ত্বৰান্বিত কৰাত সহায় কৰিব। ইয়াৰ সহায়ত উজনি অসমৰ জনসাধাৰণে দিছপুৰলৈ নহাকৈ বিভিন্ন বিষয় ডিব্ৰুগড় সচিবালয়তে নিষ্পত্তি কৰিব পাৰিব। এই নতুন ব্যৱস্থাৰ অধীনত সময়ে সময়ে উজনি অসমৰ বিভিন্ন জিলাৰ চৰকাৰী বিভাগসমূহৰ কাম-কাজৰ পৰ্যালোচনাৰ লগতে উন্নয়নমূলক কামৰ বাবে অনুষ্ঠান আৰু সংস্থাসমূহৰ সৈতে সমন্বয় স্থাপন সম্ভৱপৰ হৈ উঠিব। একেদৰে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ সৈতে সমন্বয় সম্পৰ্কীয় সভা অনুষ্ঠিত কৰাৰ লগতে জনসাধাৰণক পোনপটীয়াকৈ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ প্ৰশাসনিক সেৱা আগবঢ়াৰ পৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰতিমাহত ৪-৫ দিনকৈ ডিব্ৰুগড়ৰ ক্ষুদ্ৰ সচিবালয়ত উপস্থিত থাকিব।

ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ সচিবালয় মুকলি কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ১৬টাকৈ সিদ্ধান্ত সন্নিৱিষ্ট প্ৰথমটো নিৰ্দেশনাত স্বাক্ষৰ কৰে। মুখ্যমন্ত্ৰীয়ে স্বাক্ষৰ কৰা নিৰ্দেশনা অনুসৰি এতিয়াৰে পৰা মুখ্যমন্ত্ৰীৰ প্ৰতি বছৰে ২৬ জানুৱাৰীত ডিব্ৰুগড়ৰ সচিবালয় প্ৰাংগনত গণৰাজ্য দিৱসৰ পতাকা উত্তোলন কৰিব।

***ঃঃ ভইছ ঃঃ হিমন্ত বিশ্ব শৰ্মা***

একেটা নিৰ্দেশনাতে মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ ১৯ খন জিলা আয়ুক্তৰ সালসলনিৰ নিৰ্দেশনাতো স্বাক্ষৰ কৰে। মুখ্যমন্ত্ৰীয়ে স্বাক্ষৰ কৰা আন নিৰ্দেশনাসমূহ অনুসৰি ১৪ ছেপ্তেম্বৰত কৰম পূজা উপলক্ষে চৰকাৰী বন্ধ ঘোষণা কৰা হৈছে। বৰপেটা, বৰদোৱা, মাজুলীত মাটি বিক্ৰীৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছে। সেই অনুসৰি

বৰপেটা চহৰত মাটি বিক্ৰী,  বটদ্ৰৱা থানৰ ৫ কিলোমিটাৰ নিলগলৈ মাটি বিক্ৰী আৰু মাজুলী জিলাত মাটি বিক্ৰীত ৪৫ দিনৰ বাবে বাধা আৰোপ কৰা হৈছে। ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতালত ১০ কোটি ৪৮ লাখ ব্যয়ৰে ২৯টা পেয়িং কেবিন নিৰ্মাণৰ সিদ্ধান্তত মুখ্যমন্ত্ৰীয়ে স্বাক্ষৰ কৰে। মুখ্যমন্ত্ৰীয়ে স্বাক্ষৰ কৰা আন এক নিৰ্দেশনা অনুসৰি আদৰ্শ বিদ্যালয় সংগঠনৰ অধ্যক্ষ হিচাপে ডঃ ননী গোপাল মহন্তই কাৰ্যনিৰ্বাহ কৰি যাব।

০০০০

উল্লেখযোগ্য যে ডিব্ৰুগড়ৰ মাইজানৰ মুখ্যমন্ত্ৰীৰ সচিবালয়টোৰেই হৈছে ৰাজ্যৰ ৰাজধানীৰ বাহিৰৰ প্ৰথমটো সচিবালয়। ডিব্ৰুগড়ৰ সচিবালয়ত মুখ্যমন্ত্ৰীৰ এগৰাকী যুটীয়া সচিব, এগৰাকী উপ-সচিব, এগৰাকী অবৰ সচিব থাকিব। আনহাতে  ডিব্ৰুগড় জিলা আয়ুক্তগৰাকীয়ে মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ অতিৰিক্ত সচিব বা যুটীয়া সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয় মুকলি অনুষ্ঠানত উপস্থিত থাকি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লৈ কয় যে, ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ সচিবালয় মুকলি সুশাসনৰ ক্ষেত্ৰত মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে।

*ঃঃ ভইছ ঃঃ সৰ্বানন্দ সোণোৱাল*

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্তব্য কৰি কয় যে, পূৰ্বৰ চৰকাৰে বিধানসভাত ছয় জনগোষ্ঠিৰ জনজাতিকৰণৰ সন্দৰ্ভত লোৱা প্ৰস্তাৱত কেন্দ্ৰই পূৰ্বৰ জনজাতি সকলৰ অসুবিধা নোহোৱাকৈ প্ৰস্তাৱ প্ৰেৰণ কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। বৰ্তমান ৰাজ্য চৰকাৰে কেন্দ্ৰই বিচৰা ধৰণে প্ৰস্তাৱ প্ৰস্তুতৰ বাবে চিন্তা-চৰ্চা কৰিছে। এপ্ৰিল পৰ্যন্ত কোনো সমাধান সূত্ৰ নোলালে পূৰ্বৰ চৰকাৰে লোৱা সিদ্ধান্ত সন্দৰ্ভত কংগ্ৰেছ দলৰ সৈতে আলোচনা কৰিব।

০০০০

সাংসদ ৰকিবুল হুছেইনে অসম তথা উত্তৰ-পূৰ্বৰ ৰাইজক উৎকৃষ্টমানৰ ৰেলসেৱা প্ৰদানৰ বাবে উত্তৰ-পূৰ্ব সীমান্ত ৰেলৱেৰ বিষয়ববীয়াসকলক এখন সুকীয়া মণ্ডল গঠন কৰাৰ বাবে আহ্বান জনাইছে। উত্তৰ-পূৰ্ব সীমান্ত ৰেলত প্ৰায় ৮ হেজাৰ পদ খালী হৈ আছে বুলি উল্লেখ কৰি সাংসদগৰাকীয়ে এই খালী পদসমূহত উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীক নিযুক্তি দিয়াৰ বাবেও দাবী জনায়। ধুবুৰীৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি জিলা আয়ুক্ত দিবাকৰ নাথৰ উপস্থিতিত উত্তৰ-পূৰ্ব সীমান্ত ৰেলৱেৰ বিষয়ববীয়াসকলৰ সৈতে সাংসদগৰাকীয়ে এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। সাংসদগৰাকীয়ে লগতে ধুবুৰীৰ পৰা নতুন ৰেল চলাচল আৰম্ভ কৰা আৰু বিলাসীপাৰা ষ্টেছনতো ৰেলৰ ষ্টপেজ দিয়াৰ বাবে দাবী জনায়।   ইপিনে, ৰেলপথৰ তলেৰে পাৰাপাৰ হ'বলৈ নিৰ্মাণ কৰা পথত এজাক বৰষুণতে সৃষ্টি হোৱা কৃত্ৰিম বান ৰোধ কৰিবলৈ জিলা প্ৰশাসন আৰু ৰেল বিভাগৰ বিষয়াক লৈ এখন সমিতি গঠন কৰি তদন্ত কৰাৰ বাবেও সাংসদগৰাকীয়ে দাবী জনায়।

০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান গুৱাহাটী আৰু এয়াৰ বাছ ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ মাজত আনুষ্ঠানিকভাৱে এখন চুক্তি স্বাক্ষৰিত হয়। অসমত উন্নত বিমান যাত্ৰা আৰু পৰিবহন শিক্ষাৰ উদ্দেশ্যৰে এই চুক্তি স্বাক্ষৰিত হয়। অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ আৰ্থসামাজিক পৰিবেশ উন্নয়নৰ দিশত এই সহযোগিতা এটা গুৰুত্বপূৰ্ণ পদক্ষেপ  হিচাপে পৰিগণিত হৈছে। ভাৰত চৰকাৰৰ উড়াণ আঁচনিৰ অধীনত সমগ্ৰ দেশতে বিকাশ আৰু আৰ্থসামাজিক সংস্কাৰ সাধনৰ লক্ষ্যৰ সমান্তৰালকৈ এই

সহযোগিতা চুক্তি কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই অংশীদাৰিত্বই ভৱিষ্যতে বিমান পৰিবহন ক্ষেত্ৰত কেৱল জ্ঞান বিনিময় কৰাই নহয় বিমান উদ্যোগকো নতুন ৰূপত গঢ় দিব বুলি মত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে শেহতীয়াকৈ ৰাজ্যত শিক্ষা আৰু উদ্যোগ উভয় ক্ষেত্ৰতে উল্লেখযোগ্য বিকাশ পৰিলক্ষিত হৈছে বুলি উল্লেখ কৰি অসম চৰকাৰ আৰু আই আই টি গুৱাহাটীৰ মাজৰ সহযোগিতাই দেশৰ শৈক্ষিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিব বুলি কয়। অনুষ্ঠানত আদৰণি ভাষণ দি আই আই টি গুৱাহাটীৰ সঞ্চালক প্ৰফেচৰ দেবেন্দ্ৰ জালিহালে এয়াৰ বাছৰ সৈতে এনেধৰণৰ পৰিবৰ্তনকামী সহযোগিতা কৰি তেওঁলোক অতিশয় উৎসাহিত হোৱা বুলি মন্তব্য কৰে। এই খণ্ডত প্ৰয়োজন হোৱা দক্ষ বৃত্তিধাৰীৰ প্ৰয়োজনীয়তা এনেধৰণৰ শিক্ষাই পূৰণ কৰিব পাৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০

ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগৰ প্ৰধান সচিবে জাৰি কৰা এক নিৰ্দেশনা অনুসৰি ৰাজ্যৰ ১৯ খন জিলাৰ আয়ুক্তৰ সালসলনি ঘটোৱা হৈছে। কামৰূপৰ আয়ুক্ত কীৰ্তি জলীক পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। বিপৰীতে শিৱসাগৰৰ আয়ুক্ত দেৱকুমাৰ মিশ্ৰক কামৰূপৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। কাছাৰৰ আয়ুক্ত ৰোহন কুমাৰ ঝাক বৰপেটালৈ বদলি কৰাৰ বিপৰীতে বৰ্তমানৰ বৰপেটাৰ আয়ুক্ত আয়ুষ গাৰ্গক শিৱসাগৰলৈ বদলি কৰা হৈছে। আনহাতে কৰিমগঞ্জৰ আয়ুক্ত মৃদুল যাদৱক কাছাৰৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। গোলাঘাটৰ আয়ুক্ত ড০ পি উদয় প্ৰাবীনক উদ্যোগ-বাণিজ্য বিভাগৰ অতিৰিক্ত সচিব হিচাপে বদলি কৰা হৈছে। শিৱসাগৰৰ আয়ুক্ত আদিত্য বিক্ৰম যাদৱক মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ যুটীয়া সচিব পদলৈ বদলি কৰা হৈছে। কোকৰাঝাৰৰ নতুন আয়ুক্ত হিচাপে মাছান্দা মাগদানিল পাৰ্টিনক নিযুক্তি দিয়া হৈছে। ওদালগুৰিৰ আয়ুক্ত জাবিৰ ৰাহুল সুৰেশক ধেমাজিৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। আনহাতে কোকৰাঝাৰৰ বৰ্তমানৰ আয়ুক্ত পি কে ত্ৰিবেদিক কৰিমগঞ্জলৈ বদলি কৰা হৈছে। যোৰহাটৰ নতুন আয়ুক্ত হিচাপে জয় শিৱানিক নিযুক্তি দিয়াৰ বিপৰীতে লখিমপুৰৰ আয়ুক্ত গায়িত্ৰী দেৱী দাস হালিয়াঙক বিত্ত বিভাগৰ যুটীয়া সচিব পদলৈ বদলি কৰা হৈছে। মাজুলীৰ আয়ুক্ত কাবেৰী বৰকটকী শৰ্মা ভূমি সংৰক্ষণ বিভাগৰ যুটীয়া সচিব পদলৈ বদলি কৰা হৈছে। বিপৰীতে মাজুলীৰ আয়ুক্ত হিচাপে ৰাতুল চন্দ্ৰ দাসক নিযুক্তি দিয়া হৈছে।

বাক্সাৰ নতুন আয়ুক্ত হিচাপে গৌতম দাসক নিযুক্তি দিয়াৰ বিপৰীতে তামুলপুৰৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীক হোজাইলৈ বদলি কৰা হৈছে। আনহাতে যোৰহাটৰ আয়ুক্ত পুলক মহন্তক গোলাঘাটৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। চৰাইদেউৰ আয়ুক্ত নিবেদন দাসক পঞ্চায়ত গ্ৰামোন্নয়ন বিভাগৰ যুটীয়া সচিব পদলৈ বদলি কৰা হৈছে। দৰঙৰ আয়ুক্ত মুনিন্দ্ৰ নাথ ঙাটেক বিশ্বনাথলৈ বদলি কৰাৰ বিপৰীতে দৰঙৰ নতুন আয়ুক্ত হিচাপে পৰাগ কুমাৰ কাকতিক নিযুক্তি দিয়া হৈছে। ওদালগুৰিৰ নতুন আয়ুক্ত হিচাপে পুলক পাটগিৰীক নিযুক্তি দিয়াৰ বিপৰীতে ধেমাজিৰ আয়ুক্ত অংকুৰ ভৰালীক শোণিতপুৰলৈ বদলি কৰা হৈছে। হোজাইৰ আয়ুক্ত লাচিত কুমাৰ দাসক লখিমপুৰলৈ বদলি কৰা হৈছে। আনহাতে ধুবুৰী জিলা উন্নয়ন বিষয়া পল্লৱ মজুমদাৰক মুখ্যমন্ত্ৰীৰ সচিবালয়লৈ বদলি কৰা হৈছে। তামুলপুৰৰ আয়ুক্ত হিচাপে পংকজ চক্ৰৱৰ্তীক নিযুক্তি দিয়াৰ বিপৰীতে বিশ্বনাথৰ আয়ুক্ত নেহা যাদৱক চৰাইদেউলৈ বদলি কৰা হৈছে আৰু ধেমাজি জিলা উন্নয়ন আয়ুক্ত বিশ্বজিৎ ফুকনক ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়লৈ বদলি কৰা হৈছে।

০০০০

সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ উদ্যোগত ২৪ সংখ্যক সদৌ অসম শৰৎ চন্দ্ৰ গোস্বামী সোঁৱৰণী আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা ১০ ছেপ্তেম্বৰত গুৱাহাটীৰ জিলা পুথি ভঁৰাল প্ৰেক্ষাগৃহত পুৱা ১০ বজাৰ পৰা তৰ্ক প্ৰতিযোগিতাখনি অনুষ্ঠিত হ'ব। তৰ্ক প্ৰতিযোগিতাখনৰ বিষয় হ'ল-সদনৰ মতে নাৰীবাদী আন্দোলনত পুৰুষৰ সক্ৰিয় অংশগ্ৰহনেহে লিংগভিত্তিক সমতা নিশ্চিত কৰিব।

০০০০

যোৰহাট জিলাৰ অন্তৰ্গত ভেকধগঢ়া মণ্ডলত আজি ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদীৰ উপস্থিতিত বিজেপিৰ সদস্যতা অভিযান কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ উপ সভাপতি তপন কুমাৰ গগৈ, সাংসদ কামাখ্যা প্ৰসাদ তাচাই, ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পুলক গোহাইকে ধৰি দলীয় সতীৰ্থসকল উপস্থিত থাকে। ইপিনে, কৰিমগঞ্জ জিলাৰ ৰামকৃষ্ণ নগৰ মণ্ডল বিজেপিয়ে আয়োজন কৰা সদস্য পদ অভিযানত বিধায়ক বিজয় মালাকাৰে অংশগ্ৰহণ কৰে।

০০০০

নগাওঁ মহাবিদ্যালয়ে নিজাববৰীয়াকৈ নগাঁও, মৰিগাওঁ আৰু কাৰ্বি আংলঙৰ কৃষকসকলক যন্ত্ৰৰ জৰিয়তে এড়ি সূতাৰ আহ কটা আৰু প্ৰাকৃতিক ৰং মিশ্ৰনৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰি আহিছে। ৰাজ্যৰ বাহিৰত থলুৱা এড়ি মুগাৰ বৃহৎ বজাৰখনৰ প্ৰতি লক্ষ্য ৰাখি থলুৱা উদ্যোগটোক অধিক শক্তিশালী কৰাৰ মানসেৰে দীৰ্ঘদিন ধৰি নগাওঁ মহাবিদ্যালয়ে এই ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। ইয়াৰ অংশসস্বৰূপে মহাবিদ্যালয়খনত কৃষকসকলক মটৰযুক্ত সূতা কটা যন্ত্ৰ প্ৰদান কৰা হয়।

০০০০

বাক্সা জিলাৰ শালবাৰী মহকুমা আৰক্ষী বিষয়াৰ নেতৃত্বত আৰু শিমলাগুৰি আৰক্ষী চকীৰ সহযোগত কালি নিশা বাক্সাৰ বেলগুৰিত চলোৱা এটা অভিযানত প্ৰায় এঘাৰ হাজাৰ কিলোগ্ৰাম ভাং জব্দ কৰা হয়। গোবৰ্ধনাৰ গামাৰীগুৰিৰ বাসিন্দা মুকুন্দ নাথ আৰু বেলগুৰিৰ সন্তোষ কুমাৰ বৰ্মন নামৰ দুজন ব্যৱসায়িক আৰক্ষীয়ে আটক কৰে। ধৃত সন্তোষ কুমাৰ বৰ্মনৰ ঘৰত তালাচী চলাই আৰক্ষীয়ে আৰু এক কিলোগ্ৰাম ভাং জব্দ কৰে। সোধ পোচৰ বাবে আৰক্ষীয়ে দুয়োজন অভিযুক্তকে নিজৰ জিম্মাত ৰাখিছে।

০০০০

সমগ্ৰ দেশ তথা ৰাজ্যৰ সমান্তৰালকৈ যোৰহাটতো জিলা প্ৰশাসনৰ উদ্যোগত মহিলা আৰু শিশু বিকাশ বিভাগৰ সহযোগত যোৰহাট বিজ্ঞান আৰু তাৰকাগৃহৰ প্ৰেক্ষাগৃহত **পোষণ মাহ ২০২৪**ৰ আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। এই অনুষ্ঠানত ভাগ লৈ মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে ভাৰত চৰকাৰৰ শিশু তথা মহিলা বিকাশ মন্ত্ৰালয়ে শিশু, গৰ্ভৱতী মাতৃ আৰু প্ৰসূতি মাতৃসকলৰ পৰিপুষ্টিৰ বাবে লোৱা বিভিন্ন আঁচনিসমূহৰ বিষয়ে অৱগত কৰে। পোষণ অভিযানৰ অধীনত বছৰৰ ছেপ্তেম্বৰ মাহটোত পোষণ মাহ হিচাপে পালন কৰা হয় বুলি প্ৰকাশ কৰি, পুষ্টিহীনতা দূৰীকৰণ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰি সংশ্লিষ্ট বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক দায়বদ্ধতাৰে কাম কৰি যাবলৈ বিধায়কগৰাকীয়ে আহ্বান জনায়। একে সময়তে বিধায়কগৰাকীয়ে বিষয়কৈ চৰ-চাপৰি আৰু চাহ বাগিচা অঞ্চলত সজাগতা বৃদ্ধিৰে পুষ্টিকৰ খাদ্যৰ প্ৰয়োজনীয়তা সম্পৰ্কে অধিক সজাগতা আনিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে, এই বৰ্ষৰ পোষণ মাহৰ মূল বিষয়বস্তু হৈছে ৰক্তহীনতা।

০০০০

যোৰহাটত কাইলৈৰ পৰা অনুষ্ঠিত হ'বলগীয়া ল'ৰাৰ চাব জুনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে ভিন ভিন ৰাজ্যৰ পৰা কেইবাটাও দল আহি উপস্থিত হৈছে। যোৰহাট ক্ৰীড়া সন্থাই সকলো দলকে আদৰণি জনোৱাৰ লগতে প্ৰতিযোগিতাৰ বাবে সকলোকে শুভেচ্ছা জ্ঞাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কাইলৈ প্ৰতিযোগিতাখন উদ্বোধন কৰিব।

০০০০

মেঘালয়ৰ দক্ষিণ পশ্চিম গাৰোপাহাৰ জিলাৰ বলদামগ্ৰীত আজিৰে পৰা দ্বিতীয় এম এল এ কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ৰাজ্যখনৰ মহেন্দ্ৰগঞ্জ বিধানসভা সমষ্টি এলেকাত থকা ক্লাৱসমূহৰ মাজত এই ফুটবল প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। বাজেংডুবাৰ বিধায়ক পংচেং আৰ মাৰাকে এই প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। সমষ্টিটোৰ মুঠ ৩২ টা ফুটবল ক্লাৱ দলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। যুৱ প্ৰজন্মক বিভিন্ন অপৰাধ আৰু মাদক দ্ৰব্য সেৱনৰ পৰা আঁতৰত ৰাখি খেল ধেমালীৰ প্ৰতি আকৃষ্ট কৰিবলৈ মহেন্দ্ৰগঞ্জৰ বিধায়ক সঞ্জয় এ চাংমাই যোৱা বছৰৰ পৰা আন্তঃবিধানসভা এম এল এ কাপ ফুটবল প্ৰতিযোগিতা আৰম্ভ কৰে। এই প্ৰতিযোগিতাত বাচনি হোৱা খেলুৱৈসকলক শ্বিলঙৰ লাজং ক্লাৱৰ প্ৰশিক্ষকৰ জৰিয়তে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি বিধায়ক চাংমাই জানিবলৈ দিয়ে।

০০০০

সমাপ্ত